আইনী সাক্ষৰতা শৃংখলা-৮

# মণিকাৰ মুখত হাঁহি বিৰিঙিল

## তথ্য জনাৰ অধিকাৰ আইন ২০০৫




সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

# ASSAM STATE LEGAL SERVICES AUTHORITY

1ST FLOOR, GAUHATI HIGH COURT, OLD BLOCK
GUWAHATI - 781001, ASSAM
PHONE : 0361 - 2516367, FAX : 0361 - 2601843

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰী

গুৱাহাটী - ৭৮১০০১


No. ASLSA-38/2014/21 Dated: Guwahati the 18 th April '2016

To

The Director,
State Resource Centre - Assam,
1- CD, Mandovi Apartments,
GNB Road, Ambari, Guwahati-781001
(Assam)

**Sub:** VETTING OF IEC MATERIALS ON LEGAL LITERACY COMPONENTS - ASSAMESE.

Ref.: Your letter no. SRC/170/97/654-56 dated 21.03.2016.

Dear Sir,

In inviting a reference to the subject as cited above, undersigned has the honor to state that the vetting of the IEC materials ( in Assamese) have been completed and are being returned herewith after minor modifications in sentence/word structuring on the legal literacy components and the modified word/sentence is highlighted in erasable pencil markings.

Vetting of the rest of the IEC material (in Nepali & Bengali) is also being arranged and will be returned as soon as these are completed.

With best regards

Yours faithfully

(Mridul Kr. Saikia)
Member Secretary i/c
Assam State Legal Services Authority

Encl:
As stated above.

# মণিকাৰ মুখত হাঁহি বিৰিঙিল

## (তথ্য জনাৰ অধিকাৰ আইন ২০০৫)

আইনী সাক্ষৰতা শৃংখলা- ৮


সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

सत्यमेव जयते

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

**Manikar Mukhat Hahi Birinil :** This book is based on legal awareness for the neoliterates on Right to Information Act 2005. This book is prepared and published by State Resource Centre Assam, 1-CD, Mandovi Apartments, GNB Road, Ambari, Guwahati-781001 (Assam)

March 2016 (1000)

| | | |
|---|---|---|
| পুথি প্ৰস্তুতি কৰ্মশালাত অংশগ্ৰহণকাৰী সকল | : | নিশাৰাণী ডেকা, মীনাক্ষী বেজবৰুৱা, ৰুবী ভাগৱতী শৰ্মা, ফুনু শৰ্মা, মুনীন কাকতি, কুইন বৰা, তৃষ্ণা শৰ্মা, নিৰ্মালী অধিকাৰী , দীপাংকৰ দাস, সুস্নাতা গোস্বামী |
| ভাৰত চৰকাৰৰ ন্যায় বিভাগ, বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ তৰফৰ পৰা কৰ্মশালাত উপস্থিত থকা বিষয়াসকল | : | ৰাজেশ দেউলী, আঁচনি প্ৰবন্ধক, অনশুল চাক্সেনা, আঁচনি বিষয়া, গোবিন্দ বৈশ্য, ৰাজ্যিক সমন্বয়ক, অসম |
| প্ৰথম প্ৰকাশ | : | মাৰ্চ ২০১৬ (১০০০) |
| প্ৰকাশক | : | ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম<br>১-চি ডি, মাণ্ডৱী এপাৰ্টমেণ্টছ, জি এন বি ৰোড<br>আমবাৰী, গুৱাহাটী-৭৮১ ০০১ |
| সম্পাদনা | : | অনুৰাধা বৰুৱা, প্ৰসন্ন কুমাৰ কলিতা |
| মুদ্ৰক | : | শৰাইঘাট অফছেট প্ৰাইভেট লিমিটেড<br>বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১ |

# কৃতজ্ঞতা

সাক্ষৰ ভাৰত কাৰ্য্যসূচী ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত আৰম্ভ কৰা হৈছিল। এই কাৰ্য্যক্ৰমত দেশৰ কমসংখ্যক সাক্ষৰ মহিলা থকা ৪১০ খন জিলা সামৰি লোৱা হৈছে। বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলা, অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘু সম্প্ৰদায়ক সাক্ষৰ ভাৰত কাৰ্য্যসূচীত লক্ষ্য কৰি লোৱা হৈছে। এই কাৰ্য্যসূচীত বুনিয়াদী সাক্ষৰতাৰ সমানে সমানে বুদ্ধি আৰু দক্ষতাৰ বিকাশ আৰু সমমান শিক্ষাকো সামৰি লোৱা হৈছে।

সাক্ষৰতাক শিক্ষাৰ্থীসকলৰ জীৱনৰ লগত জড়িত কৰি অধিক ৰুচিপূৰ্ণ কৰিবৰ বাবে ইণ্টাৰ পাৰ্চনেল মিডিয়া কেম্পেইন আৰম্ভ কৰা হৈছে। এই কেম্পেইনত আইনী সাক্ষৰতাক বিশেষ গুৰুত্ব দিয়া হৈছে।

আইনী সাক্ষৰতাৰ বিষয়ে সকলোৱে জানিবৰ বাবে আইনী সাক্ষৰতা শৃংখলাৰ নিৰ্মাণ কৰা হৈছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ আৰু বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)ৰ অধীনত গুৱাহাটীত আয়োজিত কৰ্মশালাত অসম (অসমীয়া ভাষা), ত্ৰিপুৰা (বাংলা ভাষা) আৰু ছিকিম (নেপালী ভাষা)ৰ বিশেষজ্ঞ, লিখক তথা ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ সহযোগিতাত আইনী সাক্ষৰতাৰ সামগ্ৰীসমূহৰ প্ৰস্তুত কৰা হৈছে।

আইনী সাক্ষৰতা সামগ্ৰীৰ নিৰ্মাণত ন্যায় বিভাগ, ন্যায় মন্ত্ৰালয়, ভাৰত চৰকাৰ আৰু এক্সেচ টু জাষ্টিছ (নৰ্থ ইষ্ট এণ্ড জম্মু কাশ্মীৰ A 2 J NE & JK)ৰ প্ৰকল্পৰ সঞ্চালকে কাৰিকৰী সহযোগিতা প্ৰদান কৰিছে আৰু ইয়াত ভাৰত চৰকাৰৰ ন্যায় বিভাগে অনুমোদন জনাইছে। ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণে সকলো সহযোগী সংস্থা, বিভাগৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। এই সামগ্ৰীসমূহে জনসাধাৰণৰ মাজত আইনী সজাগতা আনিব বুলি আশা প্ৰকাশ কৰা হৈছে।

ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়
নতুন দিল্লী

# আমাৰ দুআষাৰ

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমে এই লানি পুস্তিকাৰ অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশৰ ব্যৱস্থা কৰিছে। গুৱাহাটীত অনুষ্ঠিত লিখনি প্ৰস্তুতি কৰ্মশালাত এইলানি পুথিৰ অসমীয়ালৈ অনুবাদ কৰা হৈছে। অনুদিত পুথিখিনি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা অনুমোদিত। এই সুযোগতে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ব্যক্তিলৈ ধন্যবাদ জ্ঞাপন কৰা হ'ল। আশাকৰোঁ কিতাপখন পঢ়ুৱৈয়ে আদৰি ল'ব।

**সমীৰণ ব্ৰহ্ম**
সঞ্চালক
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম

মাৰ্চ ২০১৬

## তথ্য জনাৰ অধিকাৰ আইন

# মণিকাৰ মুখত হাঁহি বিৰিঙিল

সুলভ মূল্যৰ দোকানৰপৰা মাহেকীয়া বস্তুখিনি আনিবলৈ গৈ-গৈ মণিকাৰ আমনি লাগিল আৰু খং উঠিল। সদায় একেটা উত্তৰ চেনি, কেৰাচিন একো অহা নাই। চতুৰ্থ দিনাও একেটাই উত্তৰ, বস্তু নাহিলে মই ক'ৰপৰা দিওঁ? উত্তৰ শুনি মণিকাৰ সন্দেহ হ'ল। ইমানদিন বস্তু নহাকৈ থাকে নে? সেয়েহে তাই সুলভ মূল্যৰ দোকানৰ দোকানীজনক ক'লে, "ঠিক আছে মোক বস্তু অনা-দিয়া হিচাপ ৰখা বহীখন দেখুৱাওক।" তেনেতে গাঁৱৰ দুই চাৰিজনী মহিলাও আহি গোট খালে। তেওঁলোকেও ক'লে— 'দেখুৱাওক বহী দেখুৱাওক'।

দোকানীয়ে খঙেৰে ক'লে, "মণিকা, তুমি ডি.চি. চাহাব নেকি? বহী চাব বিচাৰিছা যে? যোৱা-যোৱা ঘৰলৈ যোৱা।" কথা শুনি সকলোৱে সেমেনা-সেমেনি কৰি ঘৰলৈ ওভটিল।




বাটতে তেওঁলোকে সৰলাক লগ পালে। সৰলাই চৰকাৰী কাৰ্য্যালয়ত কাম কৰে। সকলোৱে বাইদেউ বুলি মাতে। মহিলাসকলে দোকানীৰ কথাখিনি সৰলাক বিৱৰি ক'লে। কথা শুনি সৰলাৰ খং উঠিল। খঙেৰেই ক'লে — "দোকানীয়ে অন্যায় কৰিছে। দুখীয়াসকলক চৰকাৰে ৰেছন কাৰ্ড দিছে। ৰেছন কাৰ্ডৰ বস্তু পাবই লাগিব সকলোৱে। আজিকালি সকলোৰে যিকোনো চৰকাৰী তথ্য জনাৰ

অধিকাৰ আছে। তোমালোকে ৰেছনৰ তথ্য জানিবলৈ তথ্য জনা অধিকাৰ বিভাগৰ বিষয়ালৈ আবেদন জনোৱা।”

সৰলাই আবেদন এখন লিখিলে। সকলো মহিলাই চহী কৰিলে। আবেদনৰ সৈতে দহটকা জমা দিয়া নিয়ম যদিও দুখীয়া আবেদনকাৰীয়ে এই দহটকা জমা দিব নালাগে।

আবেদনখন স্থানীয় সমবায় সমিতিৰ কাৰ্য্যালয়ত জমা দিলে। বিছ দিনৰ মূৰত উত্তৰ আহিল। চৰকাৰে জনালে যে ৰেছনৰ বস্তু নিয়মিত দি থকা হৈছে। সেই দোকানখনেও লৈছে। আৰু গ্ৰাহকক নিদি মুকলি বজাৰত বেছি দামত বিক্ৰী কৰিছে। গতিকে দোকানখনৰ অনুমতি বাতিল কৰি



চৰকাৰে এখন নতুন দোকানৰ নাম ঠিকনাও জনাইছে। ৰাইজে নতুন দোকানৰপৰা বস্তু ল'ব পাৰিব।

সকলো আনন্দিত হ'ল। তাৰ মাজৰে এগৰাকীয়ে ক'লে — উত্তৰ যে আহিব মই সপোনতো ভবা নাছিলোঁ।

কথা শুনি সৰলাই ক'লে — "উত্তৰ দিবই লাগিব। এমাহৰ ভিতৰত উত্তৰ নিদিলে উত্তৰ দিয়াৰ দায়িত্বত থকাজনে প্ৰতিদিনে ২৫০ (দুশ পঞ্চাছ) টকাকৈ জৰিমনা ভৰিব লাগিব। এই জৰিমনা ২৫০০০ (পঁচিছ হাজাৰ) টকালৈ হ'ব পাৰে।



উত্তৰ শুনি মণিকাই ক'লে — 'এতিয়া তেনেহলে ঠগাই খোৱাসকলৰ টোপনি হৰিল।

দেশৰ জনসাধাৰণে চৰকাৰক বিভিন্ন ধৰণে কৰ দিব লাগে। জনসাধাৰণৰ কৰৰ টকা চৰকাৰে দেশৰ উন্নতিৰ কামত লগায়। ডাঙৰ ডাঙৰ কামবোৰ কৰে। ৰাস্তা, দলং, পানীযোগান, বিজুলী উৎপাদন আদি। এই কামবোৰ কৰোতে দুই এজন বিষয়া, কৰ্মচাৰীয়ে কামত ফাঁকি দি টকা নিজৰ কৰি লয়। ফলত যিমান কাম যেনেদৰে হ'ব লাগে তেনেদৰে নহয় গৈ। এই অন্যায়ত বাধা দিবৰ বাবে চৰকাৰে তথ্য জনাৰ অধিকাৰ আইন বলবৎ কৰিছে। এই আইনৰ সহায়ত জনসাধাৰণে চৰকাৰী কামৰ হিচাপ-বিৱৰণ বিচাৰিব পাৰিব। ব্যৱহাৰ কৰা বস্তু ভাল নে বেয়া তাকো চাব পাৰিব। ইয়াৰ বাবে আবেদন কৰিব লাগে।

আবেদন কৰাৰ এমাহৰ ভিতৰত যদি উত্তৰ পোৱা নাযায়, তেনেহ'লে তথ্য জনা অধিকাৰ কাৰ্য্যালয়ৰ মুৰব্বী বিষয়ালৈ লিখিব পাৰিব। তেওঁ তলৰ কাৰ্য্যালয়ে তথ্য নিদিয়া বাবে জৰিমনা কৰাৰ লগতে সকলো তথ্য জনাব।

**তথ্য জনাৰ অধিকাৰ আইন ২০০৫ ৰ বিশেষত্ব**

তথ্য জনাৰ অধিকাৰ আইনৰ জৰিয়তে যিকোনো তথ্য সহজতে জানিব পৰা যায়। এই আইনৰ জৰিয়তে চৰকাৰী অথবা চৰকাৰী সাহায্যপ্ৰাপ্ত বেচৰকাৰী অনুষ্ঠানসমূহৰ পৰাও তথ্য পাব পাৰি। তথ্য জনাৰ অধিকাৰ আইনে প্ৰতিজন নাগৰিকক চৰকাৰী কাৰ্য্যালয়ৰ কাম কাজৰ বিষয়ে জনাৰ অধিকাৰ প্ৰদান কৰে।

**তথ্য মানে কি** — ইয়াৰ অৰ্থ হৈছে নথিপত্ৰ, দলিল, স্মাৰক, ই-মেইল, জনমত, পৰামৰ্শ, জাননী, প্ৰতিবেদন, কাকত পত্ৰ আদি সকলোধৰণৰ তথ্যকে ধৰি যিকোনো ৰূপত থকা তথ্য।

এজন আবেদনকাৰীয়ে কোনো ৰাজহুৱা কৰ্তৃপক্ষৰ পৰা তথ্য বিচাৰিবলৈ হ'লে ইয়াৰ তথ্য বিষয়াৰ ওচৰত আবেদন কৰিব লাগিব। আবেদন কৰিবলৈ নিৰ্দিষ্ট কোনো আবেদন পত্ৰ নাই। তথ্য বিষয়াই আবেদনকাৰীক তেওঁৰ বিচৰা তথ্য উদ্দেশ্যৰ বিষয়ে সুধিব নোৱাৰে।

* যি তথ্য বিচাৰে তাৰ বিবৰণ ইংৰাজী, হিন্দী অথবা সেই ৰাজ্যৰ ভাষাৰে লিখিত অথবা ইলেকট্ৰনিক মাধ্যম যোগে লোক তথ্য বিষয়াৰ ওচৰত আবেদন কৰিব লাগে।
* তথ্য বিচৰাৰ বাবে ফৰ্মো ব্যৱহাৰ কৰিব পাৰে।

## তথ্য লাভৰ বাবে দিবলগীয়া মাচুল

আবেদন কৰাৰ সময়ত এগৰাকী আবেদনকাৰীয়ে ১০ টকা মূল্যৰ মাচুল আদায় দিব লাগিব। দৰিদ্ৰ সীমাৰেখাৰ তলৰ ব্যক্তিয়ে এই মাচুল দিব নালাগে। দৰিদ্ৰ সীমাৰেখাৰ তলৰ কাৰ্ড (বি পি এল কাৰ্ড)ৰ প্ৰতিলিপি আবেদন পত্ৰৰ সৈতে গাঁথি দিব লাগিব। বিচৰা তথ্য A3 অথবা A4 কাগজত দিলে বিষয়াগৰাকীয়ে প্ৰতিখন কাগজৰ নিমিত্তে দুই টকা মাচুল ধাৰ্য্য কৰিব পাৰে। যদিহে বিচৰা তথ্য চিডিত দিয়ে তেন্তে তাৰ বাবদ ৫০ টকা ধাৰ্য্য কৰিব পাৰে।

## তথ্য যোগানৰ সময়সীমা

তথ্য বিচাৰি কোনো আবেদন আহিলে তথ্য বিষয়াই যথাসম্ভৱ শীঘ্ৰে ৩০ দিনৰ ভিতৰত তথ্যৰ যোগান ধৰিব লাগিব। তেওঁ উক্ত সময়সীমাৰ ভিতৰত তথ্যৰ যোগান ধৰিব নোৱাৰিলে আবেদনকাৰীয়ে বিনামূল্যে তথ্য লাভ কৰিব। যদি কোনো আবেদন বাতিল কৰা হয় অথবা সময়সীমাৰ ভিতৰত উত্তৰ দিয়া নহয়, অথবা যদি তথ্য অসম্পূৰ্ণ হৈ থাকে আবেদনকাৰীয়ে উৰ্ধতন কৰ্তৃপক্ষৰ ওচৰত আবেদন কৰিব পাৰিব।

## এই আইনত অন্তৰ্ভুক্ত নোহোৱা বিষয়সমূহ

এই আইনখনৰ আওতাৰপৰা কিছুমান ৰেহাই দিয়া হৈছে। এইবোৰ হৈছে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব, অখণ্ডতা, ৰাষ্ট্ৰীয় সুৰক্ষা, কৌশলগত তথ্য, ৰাষ্ট্ৰৰ বৈজ্ঞানিক অথবা অৰ্থনৈতিক স্বাৰ্থ, বহিঃৰাষ্ট্ৰৰ সৈতে সম্পৰ্ক আদিৰ ক্ষেত্ৰত।

* যিবোৰ তথ্য প্ৰকাশ কৰিলে ভাৰতৰ সাৰ্বভৌমত্ব আৰু

অখণ্ডতা, ৰাষ্ট্ৰৰ সুৰক্ষা সামৰিক কলা কৌশল, ৰাষ্ট্ৰৰ বৈজ্ঞানিক বা অৰ্থনৈতিক স্বাৰ্থ, পৰৰাষ্ট্ৰৰ সৈতে সম্বন্ধ বিঘ্নিত হব পৰা বা অপৰাধ সংঘটিত হবৰ বাবে প্ৰৰোচিত কৰিব পৰা তথ্য।

* যিবোৰ তথ্যৰ প্ৰকাশে সংসদ বা ৰাজ্যিক বিধান সভাৰ বিশেষাধিকাৰ ভংগ কৰিব পাৰে।

* অপৰাধীৰ বিৰুদ্ধে চলোৱা তদন্ত, গ্ৰেপ্তাৰ বা মোকৰ্দমা আদি প্ৰক্ৰিয়াক বাধা দিব পৰা তথ্য।

* মন্ত্ৰী পৰিষদ, সচিব আৰু অন্যান্য বিষয়াবৰ্গৰ আলোচনাৰ নথি পত্ৰকে ধৰি কেবিনেটৰ নথি পত্ৰ।

**তথ্য যোগান নধৰাৰ বাবে শাস্তি**

নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত তথ্য বা সহকাৰী তথ্য বিষয়াই সময় ওকলাত প্ৰতিদিনে ২৫০ টকাকৈ জৰিমনা ভৰিব লাগিব।

* প্ৰত্যেক চৰকাৰী বা অৰ্দ্ধ চৰকাৰী কাৰ্য্যালয়ত এগৰাকী তথ্য বিষয়া বা সহকাৰী তথ্য বিষয়া থাকে। তথ্য বিষয়া বা সহকাৰী তথ্য বিষয়াক সম্বোধন কৰি তথ্যৰ বাবে আবেদন জনাব পাৰে।
* বিছৰা তথ্য ডাকযোগে বা আবেদনকাৰীয়ে হাতে হাতেও ল'ব পাৰে।
* আবেদনকাৰীয়ে বিছৰা তথ্যত যদি তৃতীয় পক্ষ জৰিত থাকে তেনে তথ্যৰ ক্ষেত্ৰত তথ্য যোগানকাৰীয়ে ৫ দিন অতিৰিক্ত সময় পাব।
* তথ্য প্ৰদানকাৰীয়ে ৩০ দিনৰ ভিতৰত বিনা কাৰণত তথ্য প্ৰদান নকৰিলে দৈনিক ২৫০ (দুশ পঞ্চাছ) টকাকৈ জৰিমনা ভৰিব লাগিব। এই জৰিমনা ২৫০০০ (পচিছ হাজাৰ) টকালৈ হ'ব পাৰে।
* আবেদনকাৰীয়ে বিছৰা তথ্য পোৱাৰ পাছতো যদি সন্তুষ্ট নহয় তেনেহ'লে মুখ্য তথ্য আয়ুক্তৰ কাৰ্য্যালয়ত আপীল কৰিব পাৰে।

আপীল কৰাৰ বাবে নিৰ্দিষ্ট কোনো প্ৰপত্ৰ নাই। যিকোনো আপীলৰ ক্ষেত্ৰত লোক তথ্য বিষয়া গৰাকীয়ে আবেদন এখন নামঞ্জুৰ কৰাটো যদি যুক্তি সংগত তাক প্ৰমাণ কৰিব লাগিব। ভুল তথ্য বা নিৰ্দিষ্ট সময়ত তথ্য প্ৰদান নকৰাৰো প্ৰমাণ আবেদনৰ লগত গাঁথি দিব লাগিব। গোচৰৰ সৈতে জৰিত হৈ থকা পক্ষসমূহ যেনে আপুনি, লোকতথ্য বিষয়া আৰু তথ্য প্ৰকাশৰ ক্ষেত্ৰত মতামত লোৱা কোনো তৃতীয় পক্ষ এই সকলোৰে বক্তব্য শুনাৰ পাছত সিদ্ধান্ত গ্ৰহণ কৰিব।

# আইনী সাক্ষৰতাৰ সজাগতাৰ বাবে প্ৰকাশিত পুথিসমূহ-

১) চকু মুকলি হ'ল (ভাৰতৰ নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য)

২) এতিয়া আৰু চিন্তা নাই (গৰ্ভধাৰণ আৰু প্ৰসবপূৰ্ব লিংগ নিৰ্ধাৰণ অধিনিয়ম ১৯৯৪ আৰু ২০০৩ (সংশোধিত)

৩) ৰমাৰ পাঠশালা (শিক্ষাৰ অধিকাৰ অধিনিয়ম ২০০৯)

৪) শালীনতাৰ মৰ্যাদা (আইনী সাক্ষৰতা শৃংখলা-৪)

৫) যৌতুক: পৰম্পৰা নহয় অভিশাপহে (যৌতুক প্ৰতিৰোধ অধিনিয়ম ১৯৬১)

৬) আশাৰ বেঙুণি (ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা অধিনিয়ম ২০০৫)

৭) এতিয়া কোনো অনাহাৰে থাকিব নালাগে (খাদ্য সুৰক্ষা অধিনিয়ম ২০১৩)

৮) মণিকাৰ মুখত হাঁহি বিৰিঙিল (তথ্য জনাৰ অধিকাৰ আইন ২০০৫)

৯) ৰমেশে উচিত বিচাৰ পালে (বিনামূলীয়া আইন সাহায্য)

১০) নাজমাই পালে সুবিচাৰ (অনৈতিক মানব সৰবৰাহ আইন ১৯৫৬)

১১) ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

Saakshar Bharat


**STATE RESOURCE CENTRE ASSAM**
1-CD, Mandovi Apartments, GNB Road
Ambari, Guwahati-781001
E-mail-srcassam@hotmail.com
Website : www.srcguwahati.in